"নাই আপা গোন্ধতে মন ভৰি গৈছে। এই কৈয়েই থাকে আপোনাৰ ৰন্ধাৰ কথা। আজিহে খাবলৈ পাম।"

আটকীয়া দুষ্প্ৰাপ্য বস্তুৰে খোৱা টেবুলখন পূৰ্ণ হৈ আছিল। পঞ্চতাৰকাৰ মাষ্টাৰ চে'ফেও আপাকৰ লগত ফেৰ মাৰিব নোৱাৰে বুলি তাইৰ বিশ্বাস। বহুদিনৰ মূৰত দেউতাকক তাই সহজ সন্তুষ্টিৰে খোৱা মেজত বহা দেখিলে।

"ক'তা! মোৰ পঁইতা ভাত ক'ত? মইতো তোৰ ওচৰলৈ পঁইতা ভাত খাবলৈহে আহিছিলোঁ।"

"তই ইমানদিনৰ মূৰত সঁচাকৈয়ে মোৰ ওচৰলৈ পঁইতা ভাতৰ জুতি ল'বলৈকে আহিছনে?"

আপাকে তাইৰ দেউতাকলৈ তীক্ষ্ণ দৃষ্টি এৰিলে। আৰু একো নকৈ চাৰিওজন খাবলৈ বহিল। পাছত অকলে খোৱাতকৈ তাই আপাককো জোৰ কৰি লগতে বহুৱাই ল'লে। আপাকৰ হাতৰ অপূৰ্ব স্বাদ তাইৰ জিভাই সানন্দে গ্ৰহণ কৰোঁতেই, ভাতৰ গৰাহ এটা পেটলৈ ঠেলি দেউতাকে মাত দিলে—

"বাইদেউ, তই ভিনিহিদেউৰ খবৰ পাইছনে?"

"আচল কথালৈ এতিয়াহে আহিছ তই। ... কি খবৰ পোৱাৰ কথা কৈছ? মোক এবোজা হাহাকাৰৰ মাজত এৰি মানুহৰ মুখে মুখে মুখৰোচক খবৰ এটা হৈ যেতিয়াই মানুহটো আঁতৰি গৈছিল, তেতিয়াই মই সেই মানুহটোৰ খবৰ আৰু নাৰাখোঁ বুলি সিদ্ধান্ত লৈছিলোঁ। ... কঁঠালগুটিৰ পিটিকা আৰু লাগে নেকি ল। তই ভাল পাৱ কাৰণেই কৰিছিলোঁ।"

"নালাগে। কিন্তু বাইদেউ! শেষ সময়টোত মানুহজনে তোক বিচাৰিছে। অলপ চিন্তা কৰি চা।"

দেউতাকৰ কথাৰ উত্তৰ আপাকে চিন্তনলৈ চাই দিলে।

"চিন্তন, জোঁৱাই হিচাপে এইখিনি কথা তোমাৰ আগত ক'বলগীয়া নহয়। কিন্তু ইয়াৰ ল'ৰা নাই। একমাত্ৰ জোঁৱাই হিচাপে ল'ৰা-জোঁৱাই সকলো তুমিয়েই। সেয়ে মোৰ কথাখিনি মই তোমাৰ আগতো ক'ব পাৰি বুলিয়ে ভাবি ল'লোঁ।" —কথাখিনি চিন্তনক উদ্দেশি কৈ এগৰাহ ভাত মুখত ভৰাই তেওঁ তেনেই নিৰ্লিপ্ততাৰে আকৌ তাইৰ দেউতাকৰ ফালে চালে।

"মোৰ চিন্তা কৰি চাবলগীয়া একো নাই। এইযে আজি সঁচাকৈ হওক বা মিছাকৈয়ে হওক তই মোৰ ওচৰলৈ পঁইতা ভাত খাম বুলি আহিছিলি—আৰু তোক মই পঁইতা ভাতৰ ঠাইত কেতেকী জহাৰ ধোঁৱা বলি থকা ভাত দিলোঁ, কিয় জান? পঁইতা ভাতক বিলাসী ৰেস্তোৰাঁৰ খাদ্য তালিকাত স্থান দিলেও বা পঁইতা ভাত খোৱাৰ উৎসৱ পাতিলেও—পঁইতা পঁইতাই। প্ৰয়োজন শেষ হৈ যোৱাৰ পাছত থাকি যোৱা ৰাহি, বাহী আৰু এৰা-পৰলীয়া। তাকে যেনিবা অভাৱীজনে নষ্ট নকৰি জুতি-বুদ্ধি লগাই খাই থয়। কিন্তু এটা কথা জানি থ যে পঁইতা ভাতে প্ৰয়োজন পূৰাই জোৰা মাৰে, গা জুৰ পেলায়, কিন্তু মৰ্যাদাপূৰ্ণ স্থান নাপায়।"

কথা আৰু খোৱাৰ লগে লগে হাত-মুখবোৰ সচল হৈ থাকিল। খাওঁতাৰ পেটবোৰ ভৰি আহিল আৰু মাজৰ পাত্ৰবোৰৰ পেটবোৰ কমি আহিল। আইচেংফাই ভাবি পোৱা নাই কথাবোৰ আপাকে কোন দিশে লৈ গৈ আছে! এনেয়ো আপাকক বুজা টান। তাই একো মাত দিয়া নাই। মাথোঁ খোৱাৰ মাজে মাজে আপাকৰ মুখলৈ চাই শুনি গৈছে কথাবোৰ। এনেয়ো তাইৰ ক'ব লগীয়া নাই ইয়াত।

"যি কাৰণেই নহওক বা যি উদ্দেশ্যই নাথাকক, যিদিনাই তোৰ ভিনিহিয়েৰে মোক এৰি থৈ গুচি গ'ল, সেই দিনাৰপৰাই মোৰ জীৱনটো পঁইতা ভাতৰ দৰে হ'ল। ঘৰখনৰ জাঁজ, চাকৰি, ল'ৰা-ছোৱালীহাল আৰু মানুহবোৰৰ ভুনভননিবোৰে পঁইতা ভাতৰ লগৰ নিমখ আৰু জুতি-বুদ্ধিৰ ঠাই ল'লে। এতিয়া মই মোৰ জীৱনটোৰ কথা তেনেকৈয়ে ভাবোঁ।"

আপাকে খোৱা সামৰি দীঘলকৈ উশাহ এটা লৈ হাঁহি মাৰি আকৌ ক'লে—

"পঁইতা ভাত যাকে-তাকে যাচিব নোৱাৰি। বহুত দিনৰ মূৰত অহা ভায়েকটোক বা আদৰৰ ভতিজা-জোঁৱাইক পঁইতা ভাত যাচিব নোৱাৰি, লাগিলে যিমানেই অভাৱী নহওক! কিন্তু পঁইতা ভাতৰ যিদৰে অনাদৰ আছে, স্থান-কাল-পাত্ৰ ভেদে আদৰো আছে, হেঁপাহো আছে, জুৰণিও আছে। পকা ৰ'দত হাল বাই অহা নিজৰ আপোন মানুহটোক তপত ভাতৰ সলনি দেহাটো শাঁত পৰক বুলি পোৰা গৰৈ মাছৰ দৰে তৃপ্তিকৰ বস্তুৰ সৈতে পঁইতা ভাত এচৰিয়াহে আগবঢ়াই দিয়ে গৃহিণীজনীয়ে। ... কিয় জাননে? তাত আপোনত্ব থাকে।"

আপাক খন্তেক ৰ'ল। মূৰ তুলি চকুৰে চকুৰে ভায়েকৰ ফালে চাই আকৌ মুখ খুলিলে—এইবাৰ আৰু দ্বিধাহীনভাৱে।

"এতিয়া তয়ে ক মোৰ এই পঁইতা ভাতৰ দৰে জীৱনটোৰ ওপৰত তোৰ ভিনিহিয়েৰৰ অধিকাৰ আছে নে নাই! বাকী থাকিল মিলি আৰু কণ—সিহঁত এতিয়া পৈণত। যি ইচ্ছা তাকে কৰক। সিহঁতৰ ওপৰত মই মোৰ সিদ্ধান্ত জাপি দিয়া নাই।"

পঁইতা ভাত খোৱাৰ অজুহাত লৈ আপাকক উপদেশ দিবলৈ অহা তাইৰ দেউতাক বায়েকজনীৰ মুখত পঁইতা ভাতৰ কাহানিও নুশুনা বিশ্লেষণ শুনি স্তব্ধ হৈ ৰ'ল। নিজৰ জীৱনটোক পঁইতা ভাতৰ উপমাৰে সজাই সন্মুখৰ তিনিটা মানুহক নিজৰ দ্বিধাহীন সিদ্ধান্ত জনাই আইচেংফাৰ আপাদেৰেক উঠি গ'ল। লগতে সামৰি লৈ গ'ল খোৱা বাচনবোৰ। জহাভাতৰ পাতত বহি আপাকে কথাৰে সিঁচি থৈ যোৱা পঁইতা ভাতৰ গোন্ধ সামৰি তাই স্থানুৰ দৰে তাতেই বহুপৰ বহি ৰ'ল। তাই বুজি পালে, তাইৰ আপাকজনী সঁচাকৈ প্ৰখৰ তাপত গা-মন জুৰ পেলোৱা পঁইতা ভাতৰ দৰেই হৈ পৰিছে। সেয়ে চাগৈ জীৱনৰ বিয়লি বেলাত নিচাদেৰেকে এইসাঁজ পঁইতা ভাতলৈ হেঁপাহ কৰিছে। কিন্তু আপাকৰ মনত নিচাদেৰেক আৰু আগৰ সেই আপোন গৃহস্থজন হৈ থকা নাই, যি এসাঁজ পঁইতা ভাতৰ জুৰণিৰ গৰাকী হোৱাৰ যোগ্য।

আপাদেউ ঃ (আপাদেও/ এপাদেউ)/ মাক বা দেউতাকৰ বায়েক/ জেঠাই/ বৰ আই।

নিচাদেউ ঃ (আপাদেউৰ পতি) বৰপিতা/ জেঠা/ মাকৰ ককায়েক

মিতুক ঃ মৃতক

চেৰাদিয়া ঃ ভাপত সিজোৱা বৰা চাউল।

ঠিকনা ঃ মাৰফৎ-প্ৰাঞ্জল তামুলী, ডিম্বেশ্বৰ গগৈ পথ (অলংকাৰ বিবাহ ভৱনৰ সমীপত), পাঁচআলি, গোলাঘাট-৭৮৫৬২১, ফোন ঃ ৯৪০১৪৭২২৭৭

e-mail : yamini.gogoi@gmail.com

## ডাকযোগে প্ৰান্তিকৰ গ্ৰাহক হোৱাসকললৈ এটা নিবেদন

আমি ডাকযোগে আপোনালোকলৈ পঠিওৱা প্ৰতি সংখ্যাৰ প্ৰান্তিকৰ বকলাত আপোনালোকৰ নাম, ঠিকনাযুক্ত যিখন লেবেল থাকে সেইখনতে **গ্ৰাহক নম্বৰ, বৰঙণিৰ ম্যাদ আদিৰ তথ্য স্পষ্টভাৱে উল্লেখ থাকে।** সেইখন অলপ মনোযোগ দি চালেই যিকোনো বিষয়ত আমাৰ সৈতে যোগাযোগ কৰিবলৈ সুবিধা পাব আৰু আপোনালোকলৈ সন্তোষজনকভাৱে সেৱা আগবঢ়োৱাত আমাক সহায় কৰা হ'ব।

**প্ৰসন্ন শৰ্মা,**

ব্যৱস্থাপক, প্ৰান্তিক